**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ নেতৃত্বত ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ এটা প্ৰতিনিধি দল আজি গুৱাহাটীত উপস্থিত হোৱাৰ কথা।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠান।

৩। সৰুসজাইত আজি ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ চূড়ান্ত আখৰা।

৪। চিবিএছইৰ পৰীক্ষাত সহায়ৰ নামত ধন লোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা ইউএছটিএমৰ স্বত্বাধিকাৰী মহবুবুল হককে ধৰি ৬ জন লোকক ন্যায়িক জিম্মালৈ প্ৰেৰণ । **আৰু**

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত-পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

সমাগত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ভাগ লোৱাৰ বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত বিভিন্ন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ এটা প্ৰতিনিধি দল আজি গুৱাহাটীত উপস্থিত হোৱাৰ কথা। জাপান, দক্ষিণ কোৰিয়া, থাইলেণ্ড, ছিংগাপুৰ, অষ্ট্ৰেলিয়া, জাৰ্মানী, ইটালী, ভূটানকে ধৰি ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধি দলটো আজি বিশেষ বিমানেৰে গুৱাহাটীত উপস্থিত হ'ব। দলটোৱে বিনিয়োগ সন্মিলনত অংশ লোৱাৰ পূৰ্বে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰিব।

ইপিনে এই সন্মিলন সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰি তুলিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংশ্লিষ্ট সকলোকে আহ্বান জনাইছে। কালি লোকসেৱা ভৱনত আয়োজিত এখন বৈঠকত মুখ্যমন্ত্ৰীয়ে এই সন্মিলনৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতিৰ বুজ লয়। এই সন্মিলনৰ বাবে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাকে ধৰি সকলো দিশতে উপযুক্ত ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীয়ে বৈঠকত নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে, এই অনুষ্ঠানৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে অন্য জিলাৰ আৰক্ষী কৰ্মীক গুৱাহাটীলৈ অনা হৈছে আৰু জ্যেষ্ঠ বিষয়াসকলে অহৰ্নিশে কাম কৰি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেবিনেট মন্ত্ৰী, বিশিষ্ট উদ্যোগপতি আৰু ৰাষ্ট্ৰদূতসকলৰ ভ্ৰমণলৈ চাই অতিৰিক্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সন্মিলনস্থলীৰ ভিতৰত আৰক্ষীৰ ইউনিফৰ্ম পৰিহিত কোনো কৰ্মী নাথাকে যদিও সুৰক্ষা কৰ্মীসকলে বাহিৰৰ পৰাই অনুমতিপ্ৰাপ্ত লোকৰ প্ৰৱেশ সুনিশ্চিত কৰিব। প্ৰতিনিধিসকলক ৰাষ্ট্ৰীয় ঘাইপথেৰে অনুষ্ঠান স্থলীলৈ অনা হ'ব যাতে গুৱাহাটীৰ ভিতৰত যান-বাহনৰ চলাচল বিশেষভাৱে প্ৰভাৱিত নহয়। এডভাণ্টেজ আছাম সন্মিলনত ৰাজ্য চৰকাৰে প্ৰায় ডেৰ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ লাভ কৰিছে যদিও এই পৰিমান দুই লাখ কোটি টকালৈ বৃদ্ধি পাব পাৰে বুলি আশা কৰা হৈছে। আজি সন্ধিয়া চৰকাৰে বিনিয়োগৰ বাবে আগ্ৰহী উদ্যোগ প্ৰতিষ্ঠানসমূহৰ সৈতে বুজাবুজিৰ চুক্তি সন্দৰ্ভত আলোচনা

কৰিব। বৃহৎ প্ৰতিষ্ঠানসমূহে বিনিয়োগ কৰিব বুলি লাভ কৰা অনানুষ্ঠানিক তথ্যই আনুষ্ঠানিক ৰূপ ল'লে এই বিনিয়োগৰ পৰিমাণ দুই লাখ কোটি টকালৈ বৃদ্ধি পাব পাৰে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

এই সন্মিলনত ভাগ লোৱাৰ বাবে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে ৰাজ্যখনত উপস্থিত হ'ব। তদুপৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ নেতৃত্বত ভালেসংখ্যক ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতে এই অনুষ্ঠানত অংশ ল'ব। কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে এই অনুষ্ঠানৰ অংশ হিচাপে কমেও পাঁচখন গুৰুত্বপূৰ্ণ আলোচনা সত্ৰত অংশ লোৱাৰ কথা। এই সন্মিলনে ৰাজ্যখনত উন্নয়ন বৃদ্ধিৰ লগতে ঔদ্যোগিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত ইতিবাচক পৰিৱেশৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৯ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ লগতে airnews ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই নিশা ৮ বজাত এই অনুষ্ঠানটো পুনৰ প্ৰচাৰ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি ৮ বজাৰ মুখ্য বাতৰি প্ৰচাৰিত নহয়।

০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰে কাইলৈ গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত আয়োজন কৰা ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী**ৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে কাইলৈ বিয়লি ৪ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত হ'বলগীয়া এই অভিনৱ অনুষ্ঠানৰ চূড়ান্ত আখৰা আজি সন্ধিয়া ৰাজ্যৰ জনসাধাৰণে উপভোগ কৰিব পাৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি আখৰাস্থলী পৰিদৰ্শন কৰি অনুষ্ঠানৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতিৰ বুজ লয়।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত অংশ লোৱা প্ৰতিগৰাকী শিল্পীক ২৫ হাজাৰ টকাকৈ আৰু বিশেষজ্ঞ দলৰ প্ৰতিজন সদস্যক ৩০ হাজাৰ টকাকৈ দিয়া হ'ব বুলি ঘোষণা কৰে। তদুপৰি চাহ বাগিছাৰ ভিতৰত সাংস্কৃতিক কাৰ্যকলাপ প্ৰচাৰৰ বাবে সংঘ স্থাপন কৰিবলৈ প্ৰতিখন চাহ বাগিছালৈ ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ৰাজ্যৰ প্ৰায় ৯ হাজাৰ শিল্পীয়ে ভাগ লোৱা এই অনুষ্ঠান সফল কৰি তোলাৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই অহা প্ৰতিগৰাকী শিল্পী আৰু কলা-কুশলীক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

চিবিএছ্‌ইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত অবৈধ উপায়েৰে সহায়ৰ নামত ধন লোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয় মেঘালয়-ইউ এছ্ টি এমৰ স্বত্বাধিকাৰী মহবুবুল হককে ধৰি ৬ জন লোকক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে। অসম আৰক্ষীয়ে কৰিমগঞ্জ সদৰ থানাত জেৰাৰ অন্তত কালি বিয়লি অভিযুক্ত হকক ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। মাজ নিশালৈ দুয়োপক্ষৰ শুনানি গ্ৰহণ কৰি আদালতে মহবুবুল হকৰ জামিন আবেদন নাকচ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

উল্লেখযোগ্য যে মহবুবুল হকৰ প্ৰতিষ্ঠানটোৱে শ্ৰীভূমিৰ পাথাৰিকান্দি কেন্দ্ৰীয় বিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান পৰীক্ষাত অৱতীৰ্ণ হোৱা ২১৪ জন প্ৰাৰ্থীক উত্তীৰ্ণ কৰিবলৈ ধন লোৱাৰ লগতে অসাধু উপায়েৰে সহায়ৰ প্ৰতিশ্ৰুতি দিয়াৰ অভিযোগ উত্থাপন হৈছিল। পৰীক্ষাকেন্দ্ৰত এই বিষয়ক কেন্দ্ৰ কৰি হুলস্থূল সৃষ্টি হোৱাত বিষয়টো পোহৰলৈ আহে আৰু শ্ৰীভূমি আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিক্ষা ব্যৱস্থাত এনে অপকৰ্ম ৰোধ কৰিবলৈ চৰকাৰ সদায় দায়বদ্ধ বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। ড° শৰ্মাই চিকিৎসা বিজ্ঞান আৰু অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষাৰ ক্ষেত্ৰতো এই চক্ৰটোৱে অসাধু উপায় অৱলম্বন কৰি আহিছিল বুলি মন্তব্য কৰি তেওঁ ইয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ’ব বুলি সকীয়াই দিয়ে।

oooooo

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই শিক্ষাক যিকোনো সমাজৰ মেৰুদণ্ড বুলি অভিহিত কৰিছে। ৰাজভৱনৰ উদ্যোগত আৰু উচ্চ শিক্ষা বিভাগৰ সহযোগত কালি গুৱাহাটীৰ অসম প্ৰশাসনিয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এখন সন্মিলনত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে এইদৰে কয়। তেওঁ কয়, যে বিশেষকৈ উচ্চ শিক্ষাই কোনো এখন দেশৰ আধ্যাত্মিক, বৈজ্ঞানিক আৰু সামাজিক প্ৰগতিৰ ভেটি হিচাপে কাম কৰে। প্ৰাচীন বৈদিক শিক্ষাৰ পৰা বৰ্তমানৰ পৰ্যায়লৈ অসমৰ উত্তৰণত আলোকপাত কৰি ৰাজ্যপালগৰাকীয়ে শিক্ষাৰ কেন্দ্ৰ হিচাপে অসমৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে উচ্চ শিক্ষা খণ্ডত নিৰন্তৰ উদ্ভাৱনৰ বিষয়ে উল্লেখ কৰি শিক্ষা জগতৰ সৈতে জড়িত ব্যক্তিসকলক আধুনিক শিকন পদ্ধতি, ডিজিটেল মঞ্চ আৰু সাম্প্ৰতিক সময়ৰ প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ বাবে গৱেষণাভিত্তিক সমাধান আকোৱালি ল’বলৈ আহ্বান জনায়। সন্মিলনত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে।

oooooo

ৰাজ্যৰ কৃষি বিভাগে তৃতীয়বাৰৰ বাবে প্ৰতি কুইণ্টলত ৫ হাজাৰ ৯৫০ টকাৰ ন্যুনতম সমৰ্থন মূল্যত খেতিয়কসকলৰ পৰা সৰিয়হ ক্ৰয়ৰ ব্যৱস্থা কৰিছে। অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদ, অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড আৰু অসম ৰাজ্যিক পন্যাগাৰ নিগমৰ জৰিয়তে সৰিয়হ ক্ৰয় কৰা হ’ব। কৃষি বিভাগে অহা ২৫ ফেব্ৰুৱাৰীৰ পৰা ২৫ মে’ লৈ ক্ৰয়ৰ সময়সীমা নিৰ্ধাৰণ কৰিছে। কৃষকসকলে সৰিয়হ বিক্ৰীৰ বাবে ই-সমৃদ্ধি প’ৰ্টেলত পঞ্জীয়ন হোৱাটো বাধ্যতামূলক। ইয়াৰ লগতে জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ পৰা কৃষক প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰিব লাগিব। কৃষক প্ৰমাণ-পত্ৰৰ লগতে আধাৰকাৰ্ড, বেংক পাছবুকৰ প্ৰতিলিপি আৰু মোবাইল নম্বৰ সংশ্লিষ্ট কৰ্তৃত্বশীল বিষয়াৰ ওচৰত জমা দিব লাগিব।

oooooo

ধুবুৰী জিলাত কালি পৃথক পৃথক দুটা দুৰ্ঘটনাত এটি শিশুৰ লগতে এজন ছাত্ৰৰ মৃত্যু হয়। বিলাসীপাৰাৰ হাতীপোতা দ্বিতীয় খণ্ডত এখন অবৈধ বালি কঢ়িওৱা ট্ৰেক্টৰৰ খুন্দাত এটি শিশুৰ থিতাতে মৃত্যু হয়। ইপিনে বিলাসীপাৰা ১৭ নম্বৰ ৰাষ্ট্ৰীয় সূৰ্যখাটাত ট্ৰাক আৰু মটৰচাইকেলৰ মাজৰ সংঘৰ্ষত এজন ছাত্ৰই প্ৰাণ হেৰুৱায়। আৰক্ষীয়ে দুয়োটা দুৰ্ঘটনা সন্দৰ্ভত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

oooooo

দৰং জিলাৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান জিপছী গিল্ডৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ গল্প নাটক পৰিৱেশন কৰা হৈছে। প্ৰথম নিশাৰ কাৰ্যসূচীত মনোজ কুমাৰ গোস্বামীৰ দ্বাৰা ৰচিত মূল গল্প কিউৰ আধাৰত নাট মঞ্চস্থ কৰা হয়। আজি অপু ভৰদ্বাজৰ দ্বাৰা ৰচিত মূল গল্প **যা গৈ আছো**ৰ আধাৰত ৰচিত এখন নাট মঞ্চস্থ কৰা হ'ব।

oooooo

শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু মেলা ২৫ ফেব্ৰুৱাৰীৰ পৰা ৪ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জিলা প্ৰশাসনে এই পূজা আৰু মেলা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোত শিৱৰাত্ৰি উদযাপন সমিতিয়ে চি চি টিভি কেমেৰা সংস্থাপনৰ ব্যৱস্থা কৰিছে। ২৫ ফেব্ৰুৱাৰীৰ বিয়লি উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী যোগেন মহন, বিধায়ক অখিল গগৈ, সাংসদ গৌৰৱ গগৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। ২৬ ফেব্ৰুৱাৰীৰ সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীৰ অংশ হিচাপে ভাওনা প্ৰদৰ্শন কৰা হ'ব। ২৭ ফেব্ৰুৱাৰীত  শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিৱসাগৰ দৌল উন্নয়ন পৰিষদৰ দ্বাৰা প্ৰকাশিত স্মাৰক গ্ৰন্থ মুক্তিনাথ উন্মোচন কৰিব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। ২৮ ফেব্ৰুৱাৰীৰ সামৰণি অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থকাৰ কথা।

oooooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ, কাইলৈ অসমলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, সৰুসজাইত ঝুমইৰ বিনন্দিনীৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

দীৰ্ঘদিন ধৰি বৰষুণৰ অভাৱ তথা ধূলি-ধোঁৱাৰ বিষাক্ত প্ৰদূষণে গুৱাহাটী বাসীৰ জীৱন যাত্ৰা দুৰ্বিষহ কৰি তোলাৰ বাতৰি দৈনিক অসম কাকতে **গুৱাহাটীত বৰষুণৰ ঘাটি ৭৮ শতাংশ, দুৰ্বিষহ জীৱনযাত্ৰা, বৃদ্ধি পাইছে প্ৰদূষণ, ধূলিৰে ধূসৰিত চৌদিশ ঃ বিপন্ন জনস্বাস্থ্য** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

চি বি এছ ইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত অবৈধ উপায়েৰে সহায়ৰ নামত ধন লোৱাৰ অভিযোগত বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ আচাৰ্যক গ্ৰেপ্তাৰ কৰাৰ বাতৰি অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা আৰু দৈনিক জনমভূমি কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

অসম লোকসেৱা আয়োগৰ কেলেংকাৰী সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ আয়োগৰ প্ৰতিবেদনৰ ক্ষুদ্ৰতম অংশক চৰ্চালৈ আনি মূল বিষয় চৰকাৰৰ পৰা আঁতৰাই ৰখা বুলি ফাইট এগেইনষ্ট ইন জাষ্টিছ অব এ পি এছ চি নামৰ সংগঠনটোৱে অভিযোগ তোলাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সৰুসজাইত ঝুমইৰ বিনন্দিনীৰ আখৰাথলীত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলক ২৫ হেজাৰকৈ টকা দিয়াৰ কথা ঘোষণা কৰাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কোভিডৰ দৰে মহামাৰি সৃষ্টি কৰিব পৰা বেট কোৰোনা ভাইৰাছ নামৰ এটা নতুন ভাইৰাছ বাদুলীৰ দেহত ধৰা পৰা বুলি এটা বাতৰি আমাৰ অসম কাকতে **ভয়ংকৰ ভাইৰাছৰ সন্ধান ঃ বিশ্বক সতৰ্ক কৰি দিলে চীনে** শিৰোনামেৰে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা তিনিদিনীয়াকৈ মধ্যপ্ৰদেশ, বিহাৰ আৰু অসম ভ্ৰমণৰ বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যৰ শিক্ষা বিভাগে ১৫ বছৰ উৰ্ধৰ ৭ লাখ ১২ হাজাৰ অশিক্ষিত লোকক চিনাক্ত কৰি কেন্দ্ৰীয় চৰকাৰৰ এন আই এল পি কাৰ্যসূচীৰ অধীনত শিক্ষিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰাৰ বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত কাকতসমূহৰ আন কেতবোৰ গুৰুত্বপূৰ্ণ বাতৰি- এডভাণ্টেজ আছামত এক লাখ কোটি টকা বিনিয়োগৰ আশা মুখ্যমন্ত্ৰীৰ, আই আই টি গুৱাহাটীত থিংক ইণ্ডিয়া নৰ্থ-ইষ্ট ছামিট মুকলি ৰাজ্যপালনৰ ইত্যাদি।

আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

হৃদয় হাজৰিকাই অহা এপ্ৰিলত আৰ্জেণ্টিনাৰ বুয়েনছ আয়াৰ্ছ আৰু পেৰুৰ লীমাত হ'বলগীয়া বিশ্বকাপ শ্যুটিং প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰিছে। ভাৰতীয় ৰাইফল সংস্থাই ঘোষণা কৰা এয়াৰ ৰাইফল দলত হৃদয়ৰ উপৰি ৰুদ্ৰাক্ষ পাটিল, অৰ্জুন বাবুতা, আৰ্য বৰছে, নৰ্মদা নীতিন আৰু সোনম মাস্কাৰ আছে। মনু ভাকেৰ পেৰিছ অলিম্পিকৰ সাফল্যৰ পিছত দললৈ উভতিছে। খেলুৱৈগৰাকীয়ে এয়াৰ পিষ্টল আৰু ২৫ মিটাৰ স্পোৰ্টছ পিষ্টল শাখাত ভাগ ল'ব।

০০০০০০

অষ্ট্ৰেলিয়াই যোৱা নিশা পাকিস্তানৰ লাহোৰৰ গড্ডাফি ষ্টেডিয়ামত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত ইংলেণ্ডক ৫ উইকেটক পৰাস্ত কৰে। ৩৫২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি অষ্ট্ৰেলিয়াই ১৩৬ ৰানত ৪ টাকৈ হেৰুৱায়। ইয়াৰ পাছত এলেক্স কেৰিয়ে যোশ ইংগ্লিছৰ সৈতে দলক এই বিপৰ্যয়ৰ পৰা উদ্ধাৰ কৰে। ইংগ্লিছে ৮৬ টা বলত ১২০ ৰান কৰে। কেৰিয়ে ৬৩টা বলত ৬৯ আৰু মেথিউ ছৰ্টে ৬৬ টা বলত ৬৩ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ আগেয়ে ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮ টা উইকেট হেৰুৱাই ৩৫১ ৰান কৰে। ইংলেণ্ডৰ হৈ পেন ডাকেটে ১৬৫ ৰান কৰে। জ' ৰুটে ৬৮ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ বেন দ্বাৰছেছে তিনিটা উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ভাৰত-পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ ডাৱৰীয়া হোৱাৰ আৰু বিয়লি-নিশাৰ ভাগত বিজুলী ঢেৰেকণিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষ পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে অৰুণাচল প্ৰদেশৰ পাহাৰীয়া অঞ্চলত পাতলীয়াকৈ বৰফ পৰাৰ পাতলীয়া বৰষুণৰ পৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত